# খবৰনামা

নৱম সংখ্যা, জুন, ২০১৪

## NEA পুৰস্কাৰ প্ৰাপ্ত
## ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়



সম্পাদিকাদ্বয়

অঞ্জুমণি বৰা, মল্লিকা বৰা



# অধ্যক্ষৰ একাষাৰ

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ বছেৰেকীয়া ঘোষণা-পত্ৰ 'খবৰনামা'ৰ নৱম সংখ্যাটি প্ৰকাশ হ'ব বুলি জানিব পাৰি নথৈ আনন্দি হৈছোঁ। প্ৰতিটো শিক্ষাবৰ্ষৰ প্ৰাৰম্ভতে 'খবৰনামা' প্ৰকাশ হৈ থকাটো মহাবিদ্যালয়ৰ বাবে এক সুখবৰ।

'খবৰনামা'ৰ জৰিয়তে মহাবিদ্যালয়ৰ সামগ্ৰিক বিকাশৰ ছবি এখন তুলি ধৰাৰ প্ৰয়াস কৰা হয়। আনন্দৰ কথা এয়ে যে যি লক্ষ্য-উদ্দেশ্য লৈ 'খবৰনামা' প্ৰকাশ কৰা হৈছে সেয়া বহু পৰিমাণে সাৰ্থক হোৱা যেন লাগিছে।

বিগত সময়ছোৱাত মহাবিদ্যালয়ে আবয়াবিক আৰু বিদ্যায়তনিক দিশত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। সমাজৰ প্ৰান্তীয় অংশলৈ আগবঢ়োৱা অৱদানৰ বাবে **চি. এম. এ. আই.ৰ ৰাষ্ট্ৰীয় অসম শিক্ষা বঁটা- ২০১৪** লাভ কৰাটো মহাবিদ্যালয়ৰ বাবে গৌৰৱৰ কথা।

২০১৩-২০১৪ শিক্ষাবৰ্ষত মহাবিদ্যালয়ত সমাজতত্ব (sociology) আৰু মনোবিজ্ঞান (psychology) বিষয় দুটা প্ৰৱৰ্তন কৰা হৈছিল। নতুন বিষয় দুটাই ছাত্ৰ-ছাত্ৰীৰ বহুদিনীয়া প্ৰয়োজন পূৰণ কৰিছে। অহা শিক্ষা বৰ্ষৰ (২০১৪-২০১৫)ৰ পৰা পৰিৱেশ্য কলা (সত্ৰীয়া নৃত্য)ৰ বিষয়টো স্নাতক মহলাৰ সাধাৰণ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে। আশাকৰোঁ ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব।

একেৰাহে পঞ্চমবাৰৰ বাবে 'খবৰনামা' সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰি সুন্দৰভাৱে প্ৰকাশ কৰা বাবে সম্পাদিকাদ্বয় সহযোগী অধ্যাপিকা অঞ্জুমণি বৰা আৰু মল্লিকা বৰাৰ শলাগ লৈছোঁ।

'খবৰনামা' দীঘজীৱি হওঁক এই কামনাৰে----

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদালয়।

**ড° ভূপেন শইকীয়া**
*অধ্যক্ষ,*
ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদালয়




গুৱাহাটী বিশ্ববিদ্যালয়, কালচাৰেল মাল্টিমিডিয়া আৰু ইনফৰমেশ্বন অৱ ইণ্ডিয়াই ২৬ এপ্ৰিল, ২০১৪ তাৰিখে ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ক সমাজৰ পিছপৰা শ্ৰেণীৰ প্ৰতি আগবঢ়োৱা সেৱাৰ বাবে "নেচনেল আছাম এডুকেশ্বন' পুৰস্কাৰ প্ৰদান কৰে। বিশ্ববিদ্যালয়ৰ ফণিধৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মৃদুল হাজৰীকা, তথ্য প্ৰযক্তি বিভাগৰ মুখ্য সচিব; ৰাজীৱ কুমাৰ বৰা আই আই টি, গুৱাহাটী; প্ৰফেচৰ চন্দন মহন্ত, চি. এম. এ. আই.ৰ সভাপতি; প্ৰফেচৰ এন. কে. গোৱেল প্ৰমুখ্যে অন্যান্য ব্যক্তিসকলৰ উপস্থিতিত প্ৰদান কৰা এই বঁটা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন শইকীয়াৰ হৈ উপাধ্যক্ষ মামণি শইকীয়া, অধ্যাপিকা লখিমী কাকতি আৰু অধ্যাপিকা অঞ্জনা গোস্বামীয়ে গ্ৰহণ কৰে।


## মহাবিদ্যালয় সঙ্গীত
### ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়

কলংপৰীয়া ডেকা-গাভৰু আমি
প্ৰগতিৰ পথে আগুৱাওঁ
ধৰাৰ বুকু প্ৰসাৰী আমি
এন্ধাৰ বিনাশী আগুৱাওঁ
জ্ঞানৰ বন্তি জ্বলাওঁ।।

জীৱনৰ পাতনি মেলো আমি
আমাৰ এই মন্দিৰত
সৰগৰো প্ৰিয় এই শিক্ষা ভূমি
জ্ঞানৰ বন্তি জ্বলালো প্ৰাণত।
ন আলোকেৰে, ন-ন সাহেৰে
নতুন দিগন্ত বিচাৰি যাওঁ।
এন্ধাৰ বিনাশী আগুৱাওঁ
জ্ঞানৰ বন্তি জ্বলাওঁ।।


মান ৰাখিম আমি বিৰিঞ্চি বৰুৱাৰ
সুৰীয়া গীত গাম ৰুদ্ৰ বৰুৱাৰ
নৱকান্তৰ ন-প্ৰদীপেৰে
আদৰিম সবাকে আলোকৰ আৱেশলে'
সুখৰ সৰগ হেন পাওঁ।
এন্ধাৰ বিনাশী আগুৱাওঁ
জ্ঞানৰ বন্তি জ্বলাওঁ।।

কথা— ড° ভূপেন শইকীয়া, অধ্যক্ষ
সুৰ— শ্ৰীপ্ৰশান্ত গোস্বামী






# সম্পাদকীয়



জন্মলগ্নৰে পৰা ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ে পুৰণিগুদামৰ শিক্ষাজগতখনৰ সাৰ্বজনীন উন্নতিৰ বাবে আহোপুৰুষাৰ্থ কৰি আহিছে। পুৰণিগুদাম তথা কাষৰীয়া অঞ্চলৰ অৰ্থনৈতিকভাৱে দুৰ্বল বহু পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰি মহাবিদ্যালয়ে অতি নিষ্ঠাৰে নিজৰ দায়িত্ব পালন কৰি আহিছে। গ্ৰন্থ প্ৰকাশকে ধৰি বিভিন্ন বিদ্যায়তনিক আলোচনাও অনুষ্ঠিত কৰিছে। বিনামূলীয়া স্বাস্থ্য শিবিৰ পাতি অঞ্চলটোৰ জনসাধাৰণক স্বাস্থ্য সম্পৰ্কে সজাগ কৰি তুলিবলৈ প্ৰয়াস কৰিছে। আন্তঃগাঁথনিও যথেষ্ট উন্নয়ন হোৱা দেখা গৈছে। মহাবিদ্যালয়ে এনে ধৰণৰ গঠনমূলক কৰ্মপদ্ধতিৰে নিজস্ব এক স্থিতি ল'বলৈ সমৰ্থ হৈছে বুলি ভাবিবৰ থল আছে। 'কালচাৰেল মাল্টিমিডিয়া' আৰু 'ইনফৰমেশ্বন এছ'চিয়েশ্বন অৱ ইণ্ডিয়া'ই মহাবিদ্যালয়খনক প্ৰদান কৰা 'নেছনেল আছাম এডুকেশ্বন এৱাৰ্ড ২০১৪' য়ে স্পষ্ট কৰি তুলিছে মহাবিদ্যালয়ে নিজৰ দায়িত্ব কেনেদৰে পালন কৰিছে।

আমি আশা কৰোঁ নৱম সংখ্যক 'খবৰনামা'য়ে মহাবিদ্যালয়ৰ সামগ্ৰিক বিকাশৰ এখন ছবি দাঙি ধৰিবলৈ সক্ষম হ'ব।

অৱশেষত আমি কামনা কৰোঁ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ, কৰ্মচাৰী, শিক্ষক, প্ৰাক্তন আৰু বৰ্তমানৰ 'বিকেবিয়ান' আৰু শুভাকাংক্ষী সকলৰ আন্তৰিক প্ৰচেষ্টাই মহাবিদ্যালয়ক আৰু আগুৱাই লৈ যাব-

*সম্পাদিকাদ্বয়*

# ২০১২-২০১৩ শিক্ষাবৰ্ষৰ
# মহাবিদ্যালয়ৰ বিভাগসমূহৰ চমু খতিয়ান

**অসমীয়া বিভাগ (Assamese Dept.) :**

ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগে ২০১৩ চনৰ ৭ নৱেম্বৰত ড° বিৰিঞ্চি কুমাৰ বৰুৱা স্মাৰক বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰে। 'অসমীয়া কলাসন্মত কথাছবি' শীৰ্ষক বক্তৃতানুষ্ঠানটো উদ্বোধন কৰে বুৰঞ্জীবিদ ড° ৰাজেন শইকীয়াই। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন শইকীয়াই অনুষ্ঠানটো সঞ্চালনা কৰে। বিশিষ্ট অভিনেত্ৰী মলয়া গোস্বামীয়ে নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে।

বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে অধ্যাপিকা অঞ্জুমণি বৰা, মল্লিকা বৰা আৰু অধ্যাপক সোমনাথ বৰাৰ তত্ত্বাৱধানত ২০১৪ চনৰ মাৰ্চৰ ১২ তাৰিখে শিক্ষামূলক ভ্ৰমণৰ উদ্দেশ্যে তেজপুৰলৈ যায়।

অধ্যাপক শান্তনু বৰদলৈয়ে দিল্লীত অনুষ্ঠিত হোৱা AIFECTO ৰ কাৰ্যসূচীত অংশ গ্ৰহণ কৰে।

**ইংৰাজী বিভাগঃ (English Dept.) :**

অধ্যাপিকা গায়ত্ৰী গোপে মিজোৰাম ইউনিভাৰচিটিত 'Exam curriculam Development and paper setting' শীৰ্ষক সাতদিনীয়া (২০-০৫-২০১৪ ৰপৰা ২৬-০৫-২০১৪) Short Term Courseত অংশ গ্ৰহণ কৰে।

গায়ত্ৰী গোপে যোৱা কেইবা বছৰ ধৰি মহাবিদ্যালয় সপ্তাহ সমাৰোহত শ্ৰেষ্ঠ সংগীত শিল্পীগৰাকীক ১০০১. ০০ টকাৰে পুৰস্কৃত কৰি আহিছে।

অধ্যাপক যতীন শৰ্মাই 'Women in Karbi Folk Literature' শীৰ্ষক এটা ক্ষুদ্ৰ গৱেষণা (MRP) ৰ কাম হাতত লৈছে। অধ্যাপক যতীন শৰ্মাই ১০ মে ২০১৪ তাৰিখে নগাঁও মহাবিদ্যালয়ত RUSA সম্পৰ্কীয় কৰ্মশালাত অংশ গ্ৰহণ কৰে।

অধ্যাপক যতীন শৰ্মাৰ তত্ত্বাৱধানত বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে ২০১৪ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে কঠিয়াতলীৰ বাদুলী খোৰোং মন্দিৰলৈ শিক্ষামূলক ভ্ৰমণৰ উদ্দেশ্যে যায়।

অধ্যাপক জিত্যৰঞ্জন শইকীয়াই ২০১৪ চনৰ বি এড পৰীক্ষাত প্ৰথম শ্ৰেণী লৈ উত্তীৰ্ণ হয়।

**শিক্ষা বিভাগ (Education Dept.) :**

চলিত শিক্ষাবৰ্ষতে অধ্যাপিকা মামনি শইকীয়াই উপাধ্যক্ষাৰ দায়িত্বভাৰ গ্ৰহণ কৰে।

বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলে অধ্যাপিকা মামনি শইকীয়া আৰু অঞ্জনা গোস্বামীৰ তত্ত্বাৱধানত ২৭ এপ্ৰিল ২০১৪ তাৰিখে মেঘালয়ৰ জলবিদ্যুৎ প্ৰকল্প

আৰু উমিয়াম হ্ৰদৰ পৰিৱেশ সম্পৰ্কে ক্ষেত্ৰ অধ্যয়নৰ উদ্দেশ্যে ভ্ৰমণ কৰে।

অধ্যাপিকা অঞ্জনা গোস্বামীয়ে মিজোৰাম ইউনিভাচিটি Exam. Curriculam Development and Paper Setting শীৰ্ষক সাতদিনীয়া (২০-০৫-২০১৪ ৰ পৰা ২৬-০৫-২০১৪ লৈ) Short Term Courseত অংশ গ্ৰহণ কৰে।

অধ্যাপক ঘনশ্যাম টাইডে হিমাচল প্ৰদেশ ইউনিভাৰচিটিত Resarch Methodology for social sciences (Inter disciplinary) শীৰ্ষক (০৩-০৩-২০১৪ ৰ পৰা ২২-০৩-২০১৪ লৈ) Refresher Course ত অংশ গ্ৰহণ কৰে।

অধ্যাপক টাইডে 'Higher Education Scinereo of Missing Community of Ghunasuti area of Lakhimpur District' শীৰ্ষক এটি ক্ষুদ্ৰ গৱেষণা (MRP) ৰ কাম সম্পূৰ্ণ কৰিছে। তেওঁ গুৱাহাটী ইউনিভাৰচিটিৰ অধীনত গৱেষণাৰ কাম আৰম্ভ কৰিছে।

অধ্যাপিকা মামনি শইকীয়া, অঞ্জনা গোস্বামী আৰু বিজু বৰাই ৩ মে, ২০১৪ তাৰিখে College of Education, Nagaon ত অনুষ্ঠিত হোৱা 'Innovative Practice in teaching learning ICT integration in classroom Teaching' শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ কৰ্মশালাত অংশ গ্ৰহণ কৰে।

## ৰাজনীতি বিজ্ঞান বিভাগ (Political Science Dept.) :

ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক নকুল শৰ্মাই বিভাগীয় মুৰব্বী হিচাপে দায়িত্ব পালন কৰাৰ উপৰি তেওঁ BA 1st Semester, B. A. III Semester ৰ Head Examiner হিচাপেও কৰ্তব্য পালন কৰিছে।

ৰাজনীতি বিজ্ঞান বিভাগত শ্ৰীপ্ৰিয়ঙ্কা শমাই ১০-০৬-২০১৪ তাৰিখে নতুনকৈ যোগদান কৰে।

## অৰ্থনীতি বিভাগ (Economics Dept.) :

অধ্যাপিকা লখিমী কাকতিয়ে ০৩ মে ২০১৪ তাৰিখে College of Education, Nagaon ত 'Innovation in Teaching and Learning ICT integration in Classroom teaching' শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাত অংশ গ্ৰহণ কৰে।

অধ্যাপক এ. কে. এম আখটাৰ বিভাগীয় মুৰব্বী হোৱাৰ উপৰি মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা প্ৰতিভা সন্ধানী পৰীক্ষাৰ Co-Ordinator.

অধ্যাপক বিপুল চক্ৰৱৰ্তী মহাবিদ্যালয়ৰ Entry in to Service Cell ৰ Co-Ordinator.

অধ্যাপক অবিনাশ ভৰালীয়ে ৩০-০৫-২০১৪ তাৰিখে 'A study on the Demand for Eco-tourism using Non market Valuation methods : The case of Kiziranga National Partk.' শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে অসম বিশ্ববিদ্যালয়ে ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে।

ড° অবিনাশ ভৰালীৰ 'Determination of the Economic Value of Kaziranga National Park via contingent Valuation Method' শীৰ্ষক গৱেষণামূলক প্ৰবন্ধ (ISSN-0976-7530) vol - XXIV 2013 প্ৰকাশ পায়। ড° অবিনাশ ভৰালীয়ে ১০ মে' ২০১৪ তাৰিখে নগাঁও মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা RUSA বিষয়ক

কৰ্মশালাত অংশগ্ৰহণ কৰে।

অধ্যাপিকা লখিমী কাকতি আৰু ড° অবিনাশ ভৰালীৰ তত্ত্বাৱধানত বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল ২০১৪ চনৰ ১২ মে' তাৰিখে গুৱাহাটীলৈ শিক্ষামূলক ভ্ৰমণৰ উদ্দেশ্যে যায়।

### ভূগোল বিভাগ (Geography Dept.) :

ভূগোল বিভাগৰ মুৰব্বী অধ্যাপিকা আকাশী ভূএগ্রাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত ২০১৩ চনৰ ২৫ নৱেম্বৰৰ পৰা ১৫ ডিচেম্বৰলৈকে অনুষ্ঠিত হোৱা 'Environmental Studies' ৰ পৰিশীলন (Refresher Course) ত অংশগ্ৰহণ কৰে। আকাশী ভূএগ্ৰা আৰু দেৱীতা কেম্প্ৰায়ে ২০১৪ চনৰ ফেব্ৰুৱাৰী মাহত'Prospects Eco-Tourism at Chapanala' শীৰ্ষক ক্ষুদ্ৰ গৱেষণা প্ৰকল্প (MRP) জমা দিয়ে।

অধ্যাপিকা দেৱীতা কেম্প্ৰায়ে North Bengal Universityৰ অধীনত ২০০৪ চনৰ ৬ ডিচেম্বৰৰ পৰা ২৬ ডিচেম্বৰলৈকে অনুষ্ঠিত হোৱা পৰিশীলন পাঠ্যক্ৰমত অংশ গ্ৰহণ কৰে। অধ্যাপিকা আকাশী ভূএগ্ৰা, খিজুমণি শইকীয়া, বনশ্ৰী শইকীয়াৰ তত্ত্বাৱধানত ২০১৩ চনৰ ১ নৱেম্বৰ তাৰিখে স্নাতক তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰী সকল ওৰাঙত অৱস্থিত ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় উদ্যানলৈ ক্ষেত্ৰ অধ্যয়নৰ বাবে যায়।

ভূগোল বিভাগৰ স্নাতক প্ৰথম, তৃতীয় আৰু পঞ্চম ষাণ্মাসিকৰ Major বিষয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিভাগীয় আলোচনা চক্ৰ ২০১৩ চনৰ অক্টোবৰ মাহৰ ২৫, ২৬ আৰু ৩০ তাৰিখে অনুষ্ঠিত কৰা হয়।

চলিত বৰ্ষৰ ৪ এপ্ৰিল, তাৰিখে ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকল আৰু চতুৰ্থ ষাণ্মাসিকৰ পৰিৱেশ অধ্যয়নৰ দুটা গ্ৰুপৰ ছাত্ৰ-ছাত্ৰীসকল গুৱাহাটীৰ Oil India Limited Pumping Station, Noonmati আৰু দীপৰ বিললৈ ক্ষেত্ৰ অধ্যয়নৰ বাবে যায়।

২০১৪ চনৰ ২৮ আৰু ২৯ মে' তাৰিখে বিভাগৰ Computer application of GIS শীৰ্ষক Exchange Lecture Programme ত ড° মানিক কৰ সমল ব্যক্তি হিচাপে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত উপস্থিত থাকে।

### বুৰঞ্জী বিভাগ (History Dept.) :

বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ শ্ৰীমৃদুল কুমাৰ শইকীয়াই ৩০ অক্টোবৰ, ২০১৩ তাৰিখে অৱসৰ গ্ৰহণ কৰে।

তেওঁৰ অৱসৰৰ পিছত এই বিভাগৰে অধ্যাপিকা অনুৰূপা বৰাই এই বিভাগৰ কাম-কাজ চলাই নিছে।

বুৰঞ্জী বিভাগৰ অধ্যাপিকা অনুৰূপা বৰা মহাবিদ্যালয়ৰ 'ৰিমেডিয়েল' পাঠ্যক্ৰমৰ সমন্বয়ক। তেওঁ ২০১৩ চনৰ নৱেম্বৰ মাহত মণিপুৰ বিশ্ববিদ্যালয়ত অনুষ্ঠিত উত্তৰ-পূব ভাৰত বুৰঞ্জী সংস্থাৰ অধিৱেশনত ভাগ লোৱাৰ উপৰি আলোচনা চক্ৰত গৱেষণা-পত্ৰ পাঠ কৰে। তেওঁ ২০১৪ ৰ জানুৱাৰী মাহত অসম বিশ্ববিদ্যালয়ত গৱেষক হিচাপে অন্তৰ্ভুক্ত হয়।

অধ্যাপক আচাদুজ জামানে 'মায়ঙৰ যাদুমন্ত্ৰ' বিষয় হিচাপে লৈ ক্ষুদ্ৰ গৱেষণা আৰম্ভ কৰিছে। তেওঁ মহাবিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক।

**মনোবিজ্ঞান বিভাগ (Psychology Dept.) :**

মহাবিদ্যালয়ৰ ২০১৩-১৪ শিক্ষাবৰ্ষত নতুনকৈ অন্তৰ্ভুক্ত হোৱা মনোবিজ্ঞান বিভাগত অধ্যাপিকা মাধুৰী হাজৰিকাই যোগদান কৰে। স্নাতক প্ৰথম ষাণ্মাসিকৰ ৩৯ জন ছাত্ৰ-ছাত্ৰীয়ে এই বিষয়টোৰ অধ্যয়ন কৰিবলৈ লয়। প্ৰথম ষাণ্মাসিকৰ পৰীক্ষাত এই বিষয়ত ৩ জন ছাত্ৰই ১০ পইণ্ট পাই উত্তীৰ্ণ হয়।

মাধুৰী হাজৰিকাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত এই বছৰ বি. এড. পৰীক্ষাত প্ৰথম শ্ৰেণী লাভ কৰে।

**সমাজতত্ত্ব বিভাগ (Sociology Dept.) :**

মহাবিদ্যালয়ত ২০১৩-১৪ শিক্ষাবৰ্ষৰপৰা সমাজতত্ত্ব বিষয়টোও পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা হয়। অধ্যাপিকা দোলা বৰকটকীয়ে এই বিভাগত যোগদান কৰে। ৪২ জন ছাত্ৰ-ছাত্ৰীয়ে স্নাতক প্ৰথম ষাণ্মাসিকত নামভৰ্তি কৰে। প্ৰথম ষাণ্মাসিকৰ পৰীক্ষাত ১০০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে উত্তীৰ্ণ হয় আৰু তিনিজন ছাত্ৰ-ছাত্ৰীয়ে বিষয়টোত ১০ পইণ্ট লৈ উত্তীৰ্ণ হয়।

অধ্যাপিকা দোলা বৰকটকীয়ে তেজপুৰ বিশ্ববিদ্যালয়ৰ অধীনত গৱেষণা কাৰ্য আৰম্ভ কৰে। তেওঁ জামুগুৰিহাট মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰত গৱেষণা-পত্ৰ পাঠ কৰে।

**পৰিৱেশ বিজ্ঞান বিভাগ (Environmental Science Dept.) :**

মহাবিদ্যালয়ৰ পৰিৱেশ বিজ্ঞান বিভাগৰ Course Co-ordinator ভূগোল বিভাগৰ মুৰব্বী অধ্যাপিকা আকাশী ভূঞা। ২০১৩-১৪ শিক্ষাবৰ্ষৰ তৃতীয় আৰু চতুৰ্থ ষাণ্মাসিক ছাত্ৰ-ছাত্ৰীয়ে এই বিষয়টো অধ্যয়ন কৰে।

চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলক মহাবিদ্যালয়ৰ বিভাগসমূহৰ শিক্ষকসকলৰ তত্ত্বাৱধানত কেইবাটাও গ্ৰুপত বিভাজন কৰি চামগুৰি বিলপাৰলৈ ক্ষেত্ৰ অধ্যয়নৰ বাবে লৈ যোৱা হয়।

২০১৪-১৫ শিক্ষাবৰ্ষৰ পৰা মহাবিদ্যালয়ৰ স্নাতক বৰ্ষৰ পাঠ্যক্ৰমত 'সত্ৰীয়া নৃত্য'ক সাধাৰণ বিষয় হিচাপে নতুনকৈ অন্তৰ্ভুক্ত কৰা হৈছে।

□□□

## বৃত্তি শিক্ষাৰ পাঠ্যক্ৰম

*ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ নিয়মীয়া পাঠ্যক্ৰমৰ উপৰি বৃত্তি শিক্ষাৰ বিভিন্ন পাঠ্যক্ৰম মুকলি কৰা হৈছে—*

**কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (KKHSOU) :**

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ যোগেদি Bachelor's Preparatory Programme (BPP) ৰ ব্যৱস্থা কৰা হৈছে। অধ্যাপক আছাদুজ জামান এই কেন্দ্ৰৰ সমন্বয়ক। ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাত অৱতীৰ্ণ হৈ স্নাতক শ্ৰেণীত নামভৰ্তি কৰিব পাৰিব। স্নাতক শ্ৰেণীৰ অন্তৰ্গত বিষয়সমূহ হ'ল BA, BBA, BMC আদি।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ

অন্তৰ্গত DEL.ED (Diploma in Elementary Education)ৰ দুবছৰীয়া পাঠ্যক্ৰমৰ ব্যৱস্থা মহাবিদ্যালয়ত কৰা হৈছে। অধ্যাপিকা মামণি শইকীয়া এই পাঠ্যক্ৰমৰ সমন্বয়ক। ২০১৩-১৪ শিক্ষাবৰ্ষত প্ৰথম বৰ্ষৰ ২০০ জন আৰু দ্বিতীয় বৰ্ষৰ ১০০ জন প্ৰশিক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ হয়। প্ৰথম বৰ্ষৰ উত্তীৰ্ণৰ হাৰ ৯৪.৭৩ শতাংশ।

### ইনষ্টিটিউট অৱ ডিচ্‌টেন্স এণ্ড অপেন লাৰ্নিং (IDOL) :

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত ২০০৬ চনত ইয়াৰ এটা কেন্দ্ৰ মহাবিদ্যালয়ত আৰম্ভ কৰা হয়। অধ্যাপক সোমনাথ বৰা এই কেন্দ্ৰৰ সমন্বয়ক (Co-ordinator)। এই কেন্দ্ৰৰ যোগেদি স্নাতক উত্তীৰ্ণ হোৱা লোকে দুবছৰীয়া স্নাতকোত্তৰ, এবছৰীয়া ডিপ্লমা পাঠ্যক্ৰমত অধ্যয়ন কৰিব পাৰে। বৰ্তমান এই কেন্দ্ৰৰ জৰিয়তে কেইবাজনো ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে আৰু কেইবাজনো উত্তীৰ্ণ হৈছে।

### কম্পিউটাৰ পাঠ্যক্ৰম ঃ

মহাবিদ্যালয়ত বিগত কেইবাবছৰো ধৰি ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে কম্পিউটাৰ শিক্ষাৰ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হৈছে। ২০১১ চনৰপৰাই আলমিন বেগমে কম্পিউটাৰ প্ৰশিক্ষক হিচাপে ছাত্ৰ-ছাত্ৰীক ছমহীয়া পাঠ্যক্ৰমত প্ৰশিক্ষণ দি আহিছে। এই পাঠ্যক্ৰমত মহাবিদ্যালয়ৰ আশী (৮০) জন ছাত্ৰ ছাত্ৰীয়ে ২০১৩-১৪ শিক্ষাবৰ্ষত অধ্যয়ন কৰি আছে। কেইবাজনো ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছে। কম্পিউটাৰ শিক্ষাৰ অপৰিহাৰ্যতালৈ লক্ষ্য কৰি প্ৰৱৰ্তন কৰা এই ক'ৰ্চে ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰিছে।

### আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ (Arya Bhatta Science Centre) :

দৃষ্টি ফাউণ্ডেচন আৰু মহাবিদ্যালয়ৰ সহযোগত ২০০৯ চনৰ মহাবিদ্যালয়ৰ চৌহদত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ স্থাপন কৰা হয়। এই কেন্দ্ৰ স্থাপন কৰি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ়ি তুলিবলৈ প্ৰয়াস কৰা হৈছে।

### জিমখানা ঃ

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ শাৰিৰীক উৎকৰ্ষ সাধনৰ বাবে আধুনিক সা-সৰঞ্জামেৰে এই জিমখানা স্থাপন কৰা হৈছে। ছাত্ৰসকলে নিয়মীয়া পাঠ গ্ৰহণৰ উপৰি এই জিমখানাত শৰীৰ চৰ্চাৰ প্ৰশিক্ষণ লৈ আছে। অধ্যাপক নকুল শৰ্মা মহাবিদ্যালয়ৰ জিমখানাৰ তত্ত্বাৱধায়ক।

### সংগীত বিদ্যালয় ঃ

মহাবিদ্যালয়ত ২০০৮-০৯ বৰ্ষৰপৰা এখন সংগীত বিদ্যালয় চলি আছে। এই বিদ্যালয়ত ভাটখাণ্ডে আৰু লক্ষ্ণৌৰপৰা ভকেল আৰু তবলাত Bachelor Degree প্ৰদান কৰা হয়। বৰ্তমান উপবন গগৈৰ তত্ত্বাৱধানত এই বিদ্যালয়খন চলি আছে।

### Entry into Service Cell :


মহাবিদ্যালয়ৰ Coaching classes for Entry in to Service Cell ৰ উদ্যোগত ২০১৩ চনৰ অক্টোবৰৰপৰা ২৯ নৱেম্বৰলৈকে প্ৰাইমাৰী স্কুল পৰ্যায়ৰ TET ৰ Coaching Class অনুষ্ঠিত হয়। অৰ্থনীতি বিভাগৰ অধ্যাপক বিপুল চক্ৰৱৰ্তী Entry in to service Cellৰ সমন্বয়ক।

# ২০১৩-১৪ শিক্ষাবৰ্ষৰ মহাবিদ্যালয়ৰ চমু খতিয়ান

## ড° বিৰিঞ্চিকুমাৰ বৰুৱা স্মাৰক বক্তৃতানুষ্ঠান

ড° বিৰিঞ্চি কুমাৰ বৰুৱা স্মাৰক বক্তৃতানুষ্ঠান ৯ নৱেম্বৰ ২০১৩ তাৰিখে মহাবিদ্যালয়ত অনুষ্ঠিত হয়। 'অসমীয়া কলাসন্মত কথাছবি' শীৰ্ষক বক্তৃতা অনুষ্ঠানটি উদ্বোধন কৰে বুৰঞ্জীবিদ ড° ৰাজেন শইকীয়াই। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত বক্তৃতানুষ্ঠানত বিশিষ্ট অভিনেত্ৰী মলয়া গোস্বামীয়ে নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে। অসমীয়া কলাসন্মত কথাছবিৰ দীৰ্ঘদিনীয়া পৰিক্ৰমা সামৰি আগবঢ়োৱা এই তত্ত্বগধুৰ ভাষণত অভিনেত্ৰীগৰাকীয়ে 'জয়মতী' কথাছবিৰপৰা আৰম্ভ কৰি প্ৰত্যেকখন অসমীয়া কলাসন্মত কথাছবিৰ ব্যাখ্যা আগবঢ়ায়। ড° ৰাজেই শইকীয়াই উদ্বোধনী ভাষণত ভাৰতীয় কথাছবিৰ জন্ম বৃত্তান্তৰ চমু ইতিহাস বৰ্ণনা কৰাৰ লগতে চিনেমা বৰ্তমান কেনেকৈ ৰাজনৈতিক-সামাজিক ক্ষেত্ৰক অন্তৰ্ভুক্ত হৈছে তাৰ ব্যাখ্যা আগবঢ়ায়। এই বক্তৃতা অনুষ্ঠানতে মহাবিদ্যালয়ৰ মহিলা কোষৰ দ্বাৰা প্ৰকাশিত 'Feminism Proverty and Globalization in the Context of Assam' গ্ৰন্থখন মলয়া গোস্বামীয়ে উন্মোচন কৰে।

### ড° ভূপেন হাজৰিকা প্ৰেক্ষাগৃহ 'উদ্বোধন'



মহাবিদ্যালয়ত চলিত শিক্ষাবৰ্ষৰ ১০ চেপ্তেম্বৰ, ২০১৩ত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ নামত উৎসৰ্গিত এটি প্ৰেক্ষাগৃহ শুভ উদ্বোধন কৰা হয়। প্ৰেক্ষাগৃহটি উদ্বোধন কৰে সুধাকণ্ঠৰ ভগ্নী সুদক্ষিণা শৰ্মাই। ভাৰতীয় চাহ ব'ৰ্ডৰ অৰ্থ সাহায্যৰে সাজি উলিওৱা এই প্ৰেক্ষাগৃহৰ উদ্বোধনী সভাখনত সভাপতিত্ব কৰে ফণীন্দ্ৰ

নাথ গায়নে। সভাখনত ভাৰতীয় চাহ বৰ্ডৰ অসম শাখাৰ সহঃ সঞ্চালক দিনমণি কাকতি, তেজপুৰ আঞ্চলিক চাহ ব'ৰ্ডৰ উপ-সঞ্চালক এন. বৈশ্য, অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ উপ-সভাপতি দীপজ্যোতি বৰা, বিশিষ্ট গায়ক ঋষিৰাজ শৰ্মা, কথাছবি নিৰ্মাতা সম্ৰাট বৰা, মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি সহজানন্দ ওজা উপস্থিত থাকি ভাষণ প্ৰদান কৰে।

### প্লাষ্টিক সামগ্ৰী উৎপাদন কৰ্মশালা ঃ

২০ ফেব্ৰুৱাৰী, ২০১৪ ৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে পুৰণিগুদাম স্বেচ্ছাসেৱী সংগঠন, অসমৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ'ৰ সহযোগত পুৰণিগুদামৰ স্বেচ্ছাসেৱী সংগঠন 'দৃষ্টি ফাউণ্ডেচনে' মহাবিদ্যালয়ত 'প্লাষ্টিক সামগ্ৰী উৎপাদন কৰ্মশালা' অনুষ্ঠিত কৰে। নগাঁও জিলাৰ বিভিন্ন অঞ্চলৰপৰা অহা ত্ৰিশগৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰা প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষণ প্ৰদান কৰে ক্ষুদ্ৰ ঔদ্যোগিক বিকাশ সংস্থাৰ মনোনীত পৰামৰ্শদাতা অৰূপ কুমাৰ শৰ্মা, চিপেট গুৱাহাটীৰ ৰাচিম আক্ৰাম আৰু আশ্ৰাফুল হুছেইন, নগাঁও ডি আই চিৰ প্ৰভাত ফুকন, এছটেকৰ সমল ব্যক্তি, বিজয় কৃষ্ণ মহন্ত আৰু দৃষ্টি ফাউণ্ডেচনৰ সম্পাদিকা নফিচা হুছেইনে। উক্ত প্ৰশিক্ষণ শিবিৰৰ সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। কৰ্মশালাখনত উপস্থিত থাকি বিভিন্ন দিহা-পৰামৰ্শ তথা সহায়-সহযোগিতা আগবঢ়ায় মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক বিপুল চক্ৰৱৰ্তী, জ্যেষ্ঠ সাংবাদিক ড° আবু হানিফা, শিল্পী দেৱকান্ত হাজৰিকা, দ্বিপেন দাস, স্থানীয় উদ্যোগী জাৰিৰ হুছেইন, সাংবাদিক দিব্যজ্যোতি ভূএগ আৰু নীলৰঞ্জন শৰ্মাই।

### মহাবিদ্যালয়ৰ সামূহিক তথ্য, সমল কেন্দ্ৰ উদ্বোধন ঃ

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ত ইং ২০ নৱেম্বৰ, মঙ্গলবাৰ, ২০১৩ তাৰিখে সামূহিক তথ্য কেন্দ্ৰ এটাৰ উদ্বোধন কৰা হয়। ভাৰত চৰকাৰৰ তথ্য আৰু প্ৰযুক্তি মন্ত্ৰণালয়ৰ অধীনৰ প্ৰকল্পটো 'ডিজিটেল এমপাৱাৰমেণ্ট ফাউণ্ডেশ্যন'ৰ সহযোগত আৰু পুৰণিগুদাম 'দৃষ্টি ফাউণ্ডেশ্বন'ৰ তত্বাৱধানত গঠন কৰা হয়। কেন্দ্ৰটো উদ্বোধন কৰে বঢ়মপুৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ললিতা ৰংপিপিয়ে।

এই উপলক্ষে অনুষ্ঠিত উদ্বোধনী সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন শইকীয়াই। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভাষণ আগবঢ়াই ৰূপাই শিক্ষাখণ্ডৰ বিষয়া আব্দুল কাছেম, লেখক সমালোচক ৰেজাউল কৰিম আৰু ললিতা ৰংপিপিয়ে।


### ৰাষ্ট্ৰীয় সেৱা আঁচনি (National Service Scheme) :

মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ তত্বাৱধায়ক আছাদুজ জামানৰ তত্বাৱধানত ৬৪ জন স্বেচ্ছাসেৱকে ৭ নৱেম্বৰ, ২০১৩ তাৰিখে পুৰণিগুদাম ৰাধাকান্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰে। মহাবিদ্যালয়ত ১১ মাৰ্চ, ২০১৪ তাৰিখে HIV/AIDS ৰ এখনি সজাগতা সভা অনুষ্ঠিত হয়। সভাত ডাঃ বিজয় কুমাৰ নাথে HIV/AIDS সম্পৰ্কে বহল ব্যাখ্যা দাঙি ধৰে। এই সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষৰ লগতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উক্ত দিনটোতে এটি বিনামূলীয়া ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। মুঠ ২৭ জন স্বেচ্ছাসেৱকে এই শিবিৰত ৰক্তদান কৰে।

মহাবিদ্যালয়ৰ NSS ৰ উদ্যোগত ৯ মে' ২০১৪ চাপানালাৰ বৰচুংজাৰ এম ই স্কুলত দিনজোৰা কাৰ্যসূচীৰে এটি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ আৰু ঔষধ বিতৰণ ব্যৱস্থা কৰা হয়। শিবিৰত ডাঃ পি. এম. তালুকদাৰ, ডাঃ ৰাতুল শৰ্মা, ডাঃ মনোজ শইকীয়া আৰু স্বাস্থ্য বিভাগৰ ২৪ জন কৰ্মচাৰীয়ে সেৱা আগবঢ়ায়। শিবিৰত মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু অধ্যাপিকা লখিমী কাকতি উপস্থিত থাকে।

**মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণী কোঠা উদ্বোধন ঃ**

মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ বাবে ৩১ জানুৱাৰী, ২০১৪ তাৰিখে প্ৰয়াত বিদ্যাধৰ খাওগুদেৰৰ স্মৃতিত এটি দুমহলীয়া ছাত্ৰ জিৰণী কোঠা ব্ৰহ্মচাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীযুত প্ৰসন্ন গোস্বামীয়ে উদ্বোধন কৰে।



**ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (National Service Scheme) :**

অধ্যাপক ঘনশ্যাম টাইড মহাবিদ্যালয়ৰ NCC ৰ তত্ত্বাৱধায়ক। এই বছৰৰ জুন মাহত মহাবিদ্যালয়ৰ NCC ৰ কেইবাজনো কেডেটে তেজপুৰত অনুষ্ঠিত হোৱা শিবিৰত যোগদান কৰে।

১২ মে' ২০১৪ তাৰিখে মহাবিদ্যালয়ৰ NCC ৰ Unit টোক Group Commandent আৰু Unit Commandent এ পৰিদৰ্শন কৰে। মহাবিদ্যালয়ৰ কেডেটসকলৰপৰা ৭গৰাকীয়ে ২০১০ চনৰপৰা ২০১৪ চনৰ ভিতৰত স্থায়ীভাৱে চাকৰি পাবলৈ সক্ষম হয়।

**প্ৰতিভাসন্ধানী পৰীক্ষা ঃ**

অধ্যাপক এ. কে. এম. আখটাৰৰ তত্ত্বাৱধানত চলিত বৰ্ষৰ মে' মাহত জিলা ভিত্তিক স্কুলীয়া পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মহাবিদ্যালয়ৰ এক প্ৰতিভা সন্ধানী পৰীক্ষা পতা হয় আৰু ফলাফল ঘোষণা কৰা হয়। এই পৰীক্ষাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান পায় ক্ৰমে বৰিষ নন্দন শৰ্মা (ৰামানুজন জুনিয়ৰ কলেজ),ভাগ্ৰশী বৰদলৈ (পীতাম্বৰ দেৱগোস্বামী হাইস্কুল) আৰু হিমাশ্ৰী শইকীয়া (পুৰণিগুদাম গাৰ্লচ হাইস্কুল)। বঁটাসমূহ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক যোগানন্দ গোস্বামীয়ে আগবঢ়ায়।

২ অক্টোবৰ, ২০১৩ তাৰিখে মহাবিদ্যালয়ৰ অধ্যাপিকা অঞ্জনা গোস্বামীৰ তত্ত্বাৱধানত আৰু খিজুমণি শইকীয়া, দোলা বৰকটকী, বনশ্ৰী শইকীয়াৰ সহযোগত 'গান্ধী জয়ন্তী' দিনটোত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

মহাবিদ্যালয়ৰ অধ্যক্ষ ডº ভূপেন শইকীয়াই ২০১৩ চনৰ ১ জুলাইৰ পৰা ১১ জুলাইলৈকে এঘাৰদিনীয়া কাৰ্যসূচীৰে পেৰিছত অনুষ্ঠিত গ্ৰীষ্মকালীন স্কুলত অংশগ্ৰহণ কৰে। ইণ্ডিয়ান কলেজ ফৰাম (আই চি এফ), ছ'চাইটি ফৰ এডুকেশ্যন এণ্ড ইকনমিক ডেভেলপ্‌মেণ্ট (এছ ই ই ডি) আৰু চেণ্টাৰ ফৰ হায়াৰ এডুকেশ্যন ষ্টাডিজ এণ্ড ট্ৰেইনিং (চি এইচ ই এছ টি)ৰ তৰফৰপৰা

আয়োজন কৰা এই স্কুলত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ভূপেন শইকীয়াৰ উপৰি অসমৰ আঠখন মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু মেঘালয়ৰ তিনিগৰাকী অধ্যক্ষই অংশ গ্ৰহণ কৰে। শৈক্ষিক নেতৃত্বৰ আন্তঃৰাষ্ট্ৰীয় উচ্চ শিক্ষাৰ ডিপ্লমা (আই ডি এল এইচ ই) ৰ অংশ হিচাপে এই গ্ৰীষ্মকালীন স্কুলত যোগদান কৰে। ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকলে অধ্যক্ষসকলৰ লগত মত-বিনিময় কৰে। অধ্যক্ষসকলক গেনছে প্ৰমাণ পত্ৰ প্ৰদান কৰে।

মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ভূপেন শইকীয়াই ২৮ ফেব্ৰুৱাৰী, ২০১৪ তাৰিখে পঞ্জাবৰ পাতিয়ালা 'খালছা' কলেজ (জি এছ এছ ডি জি এছ) ত অনুষ্ঠিত ইণ্ডিয়ান কলেজ ফ'ৰাম (আই চি এফ)ৰ বিংশতিতম্ ৰাষ্ট্ৰীয় অভিবৰ্তনত অংশগ্ৰহণ কৰে।

৫ মে' ২০১৪ তাৰিখে মহাবিদ্যালয়লৈ UGC ৰ মনোনীত পৰিদৰ্শক হিচাপে বৰ্ধমান বিশ্ববিদ্যালয়ৰ Pro vice chancelor ডঃ সুৰুচি মোহন্ত ডান আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ CDC ৰ সঞ্চালক ডঃ যোগেন কলিতাই পৰিদৰ্শন কৰে। ১৭ মে' ২০১৪ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰফেচাৰ ডঃ অৰ্চনা শৰ্মা আৰু পদ্মশ্ৰী যতীন গোস্বামীয়ে 'সত্ৰীয়া নৃত্য' বিষয়টো মহাবিদ্যালয়ত চলিত বৰ্ষৰ পৰা অন্তৰ্ভুক্তিৰ বাবে পৰিদৰ্শন কৰে আৰু ১৩ মে' ২০১৪ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ননীগোপাল মহন্ত আৰু ইন্দ্ৰানী ফুকনে সমাজতত্ত্ব আৰু মনোবিজ্ঞান বিভাগ পৰিদৰ্শন কৰে।

❒❒❒

## মহাবিদ্যালয়ৰ পুথিভঁৰাল

ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ পুথিভঁৰালত প্ৰায় পোন্ধৰ হেজাৰ গ্ৰন্থ আছে। পুথিভঁৰালত থকা ২ খন আন্তৰাষ্ট্ৰীয়, ৬ খন ৰাষ্ট্ৰীয় Journal ৰ উপৰি ৩ খন অসমীয়া আলোচনী, ৭ খন ইংৰাজী আলোচনী, ৮ খন দৈনিক আৰু ৫ খন সাপ্তাহিক বাতৰি কাকতে শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ ক্ষেত্ৰত যথেষ্ট সহায় আগবঢ়াই আহিছে।

পুথিভঁৰালত তিনিটা কম্পিউটাৰসহ ইন্টাৰনেট সেৱাও উপলব্ধ। মহাবিদ্যালয়ৰ পুথিভঁৰাল N-list Programme ত অন্তৰ্ভুক্ত হৈছে। ইয়াৰ ফলত মহাবিদ্যালয়ৰ শিক্ষক তথা ছাত্ৰ-ছাত্ৰীয়ে ছয় হেজাৰতকৈও অধিক আন্তৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত বৈদ্যুতিক আলোচনী (e-journal) আৰু ন হেজাৰ সাতশতকৈ অধিক বৈদ্যুতিক কিতাপ (e-book) সম্পূৰ্ণ বিনামূলীয়াকৈ পঢ়াৰ সুবিধা কৰিছে। ইয়াৰ উপৰি ২৩৬ খন পকাবন্ধা কৰি সংৰক্ষণ কৰা হৈছে। তদুপৰি দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে Book Bank ৰ ব্যৱস্থাও আছে। Indian Association of Special Library and information Centre (IASLIC) ত মহাবিদ্যালয়ৰ নাম সদস্যভুক্ত হয়।

মহাবিদ্যালয়ৰ গ্ৰন্থগাৰিকা জুলি ঠাকুৰীয়াই ৫ অক্টোবৰ, ২০১৩ ত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰত 'Managing Matadata for sharing and leaking' শীৰ্ষক গৱেষণা-পত্ৰ পাঠ কৰে। তেওঁ ৰহা মহাবিদ্যালয়ত ২৩ এপ্ৰিল, ২০১৩ ত অনুষ্ঠিত হোৱা 'Role of library and Information science in Education Development to the

Rural population in the Digital Era' শীৰ্ষক আলোচনা চক্ৰখনিত গৱেষণা-পত্ৰ পাঠ কৰে আৰু গ্ৰন্থ আকাৰে প্ৰকাশ পায়। তদুপৰি অসম মহাবিদ্যালয় গ্ৰন্থাগাৰিক সন্থাই ২০১৩ চনৰ ডিচেম্বৰ মাহত প্ৰকাশ কৰা ISBN যুক্ত আলোচনী 'ACIA BULLETIN' ত 'Information Metadata in Digital preservation system' শীৰ্ষক গৱেষণা পত্ৰ প্ৰকাশ পায়।সিং আৰু মঃ এছ, ই আলমে আগবঢ়োৱা ধনেৰে মহিলাকোষৰ বাবে কিতাপ ক্ৰয় কৰে। ❑

## মহাবিদ্যালয়ৰ মহিলাকোষ

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ মহিলা কোষে বিশ্ববিদ্যালয় অনুদানেৰে অনুষ্ঠিত কৰা ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰৰপৰা নিৰ্বাচিত কেইখনমান গৱেষণা পত্ৰৰে 'Feminism, Poverty and Globlization in the context of Assam' শীৰ্ষক গ্ৰন্থ প্ৰকাশ কৰে। বিশিষ্ট চলচ্চিত্ৰ অভিনেত্ৰী মলয়া গোস্বামীয়ে ৯ নৱেম্বৰ, ২০১৩ তাৰিখে মহাবিদ্যালয়ত অনুষ্ঠিত ড° বিৰিঞ্চিকুমাৰ বৰুৱা স্মাৰক বক্তৃতানুষ্ঠানত গ্ৰন্থখনি উন্মোচন কৰে।

মহিলা কোষে প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক বাতাৱৰণ উন্নত কৰাৰ মানসেৰে ১৪ নৱেম্বৰ 'শিশু দিৱস'ৰ দিনটো ২০০৬ চনৰপৰাই পুৰণিগুদাম অঞ্চলৰ কেইবাখনো প্ৰাইমেৰী স্কুললৈ গৈ ছাত্ৰ-ছাত্ৰীসকলক কিতাপৰ টোপোলা, খেলৰ সামগ্ৰী, আলমাৰি আদি প্ৰদান কৰি আহিছে। মহিলা কোষে ২০১৩ চনৰ ১৪ নৱেম্বৰ তাৰিখে চাপানালা চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক কিতাপৰ টোপোলা, খেলৰ সামগ্ৰী আদি দি উদগনি যোগায়। মহিলা কোষৰ সভানেত্ৰী মামনি শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কেইবাজনো স্থানীয় লোক উপস্থিত থাকে।

মহিলা কোষে ২০১৪ চনৰ ৮ মাৰ্চ, তাৰিখে 'আন্তৰ্জাতিক নাৰী দিৱস'ত মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষা শিক্ষাব্ৰতী ৰছিদা বেগমক এখনি ফুলাম গামোচা, শৰাই, সম্বৰ্ধনা পত্ৰ আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনায়।

মহিলা কোষে ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰত সমল ব্যক্তি হিচাপে উপস্থিত থকা শ্ৰীগুৰুমাইল সিং আৰু চৈয়দ এছ, ই আলমে আগবঢ়োৱা ধনেৰে মহিলাকোষৰ বাবে কিতাপ ক্ৰয় কৰে।

## ছাত্ৰ-ছাত্ৰীৰ বাবে গ্ৰহণ কৰা কাৰ্য ব্যৱস্থা ঃ

মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক বাতাৱৰণ উন্নত কৰাৰ উদ্দেশ্যে বিভিন্ন কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিছে।

চলিত শিক্ষাবৰ্ষৰ পৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক BKBIAN-A ৰ পৰা BKBIAN-O লৈ ১৫টা গ্ৰুপত বিভক্ত কৰি প্ৰতিটো গ্ৰুপত দুজনকৈ অধ্যাপকক তত্বাৱধায়ক হিচাপে লৈ বিশেষ পৰ্যবেক্ষণৰ ব্যৱস্থা কৰি ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক

তথা ব্যক্তিগত সমস্যা সমাধানৰ প্ৰচেষ্টা কৰা হৈছে।

ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়াকৈ চিকিৎসকৰ হতুৱাই তেজ পৰীক্ষা কৰি তেজৰ গ্ৰুপ নিৰ্ধাৰণ কৰি স্বাস্থ্য সম্পৰ্কে সজাগ কৰি তোলা হৈছে।

মহাবিদ্যালয়ৰ পৰিয়ালৰ প্ৰতিজন সদস্যৰ বৰঙণিৰে আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীক সাহায্য প্ৰদান কৰিব পৰাকৈ Corpus Fund গঠন কৰা হৈছে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন শইকীয়া এই কোষৰ সভাপতি আৰু ড° অবিনাশ ভৰালী সম্পাদক।

আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ বাবে Poor Fund ৰ পৰা সাহায্য প্ৰদান কৰা হয়। তেওঁলোকৰ বাবে Book Bank ৰ পৰাও কিতাপ যোগান ধৰা হয়। দূৰৈৰপৰা অহা ছাত্ৰ-ছাত্ৰীক অহা-যোৱাৰ খৰচৰ বাবদ Convanian Allowance দিয়া হয়। ছাত্ৰীসকলৰ বাবে ছাত্ৰী নিবাসৰ ব্যৱস্থা কৰা হৈছে আৰু নতুনকৈ শ্ৰেণী কোঠা নিৰ্মাণ কৰা হৈছে।

## ছাত্ৰ-ছাত্ৰীসকলৰ সাফল্যৰ খতিয়ান ঃ

- ২০১৩-১৪ শিক্ষা বৰ্ষত কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে সুখ্যাতিৰে সফলতা লাভ কৰে। শিক্ষা বিভাগৰ প্ৰথম ষাণ্মাসিকৰ পৰীক্ষাত ছাত্ৰ ডিম্পল পাঠকে ১০ পইণ্ট পায়।
- এই বৰ্ষৰে সপ্তাহ সমাৰোহত শ্ৰেষ্ঠ সংগীত শিল্পী বঁটা লাভ কৰে দীপাংকৰ দাসে। কমল শইকীয়াই ল'ৰা শাখাত শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আৰু ৰশ্মিৰেখা শইকীয়াই ছোৱালী শাখাত শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে।
- গুৱাহাটী বিশ্ববিদ্যালয়ৰ NEA দ্বাৰা আয়োজিত তৰ্ক প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ অধ্যাপিকা অঞ্জনা গোস্বামীৰ তত্বাৱধানত মহাবিদ্যালয়ৰ ছাত্ৰ পবিত্ৰ বৰা, ধনজিৎ দাস, বিষ্ণুচৰণ দাস আৰু ৰচিদুল হকে অংশগ্ৰহণ কৰে।

## পৰিচালনা সমিতি

| | |
|---|---|
| ১। শ্ৰীযুত শৰৎ খাউণ্ড | সভাপতি |
| ২। ড° ভূপেন শইকীয়া | অধ্যক্ষ আৰু সচিব |
| ৩। শ্ৰীমতী মামনি শইকীয়া | উপাধ্যক্ষ আৰু সদস্য |
| ৪। শ্ৰীযুত ফণীন্দ্ৰনাথ গায়ন | সদস্য |
| ৫। শ্ৰীযুত যোগানন্দ গোস্বামী | সদস্য |
| ৬। শ্ৰীযুতা অঞ্জনা গোস্বামী | শিক্ষক গোটৰ মনোনীত সদস্য |
| ৭। শ্ৰীযুত যতীন শৰ্মা | শিক্ষক গোটৰ মনোনীত সদস্য |
| ৮। মঃ কুতুবুদ্দিন আহমেদ | কাৰ্যালয়ৰ মনোনীত সদস্য |
| ৯। শ্ৰীযুত ভৰেন ভূঞা | সদস্য (অভিভাৱক) |
| ১০। শ্ৰীযুত জিতেন গায়ন | সদস্য (অভিভাৱক) |
| ১১। শ্ৰীযুতা ভানু শইকীয়া বৰা | সদস্য (অভিভাৱক) |

**ঠিকনা ঃ**
বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়
স্থাপিত- জুলাই, ১৯৬৭ চন
ডাক- পুৰণিগুদাম
জিলা- নগাঁও ঃ অসম
ডাক সূচাংক- ৭৮২১৪১
দূৰভাষ- ০৩৬৭২-২৮১৬২৭
ই-মেইল ঃ
bkbcollege@hotmail.com




৮ মাৰ্চ
মহিলা কোষ
(অসম)






COACHING CLASSES FOR
ENTRY INTO SERVICE CELL
Dr. B.K.B. College, Puranigudam



ENTRY IN
ERVICE CELL
Dr. B.K.B.
e, Puranigudam
PARATION OF TET
013


Blood Donation Camp
College
ibbon Club
2014


















BLOOD DONATION CAMP




# ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদালয়ৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ সম্ভৰ

















Printed at : Ajanta Press, Haibargaon, Nagaon ; Ph. No. 94530-61745
Cover : Maonj Rajkumar